# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 18-08-2026 **Time :** 1:40 PM

ASSAMESE MIDDAY NSD BULLETIN

## HEADLINES

::::::::::::::::::

১। ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ পৰিৱেশ দপ্তৰৰ মন্ত্ৰীসকলৰ দ্বাদশ বৈঠকখন আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হৈছে।

২। কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে ভোট বেংকৰ ৰাজনীতিৰ স্বাৰ্থত বৈদেশিক অনুদান নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক সন্দৰ্ভত ভুল তথ্য প্ৰচাৰ কৰা বুলি বিৰোধী দলসমূহক দোষাৰোপ কৰিছে।

৩। দেৰগাঁও-ডিমাপুৰ সংযোগী পাইপলাইনৰ কাম আৰম্ভ হোৱাৰ লগে লগে নাগালেণ্ড উত্তৰপূব গেছ গ্ৰীড আৰু ৰাষ্ট্ৰীয় গেছ গ্ৰীডৰ সৈতে সংযুক্ত হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে।

৪। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে আজি ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ ঘোষণা কৰে। *আৰু*

৫। BWF বেডমিণ্টন বিশ্ব চেম্পিয়নশ্বিপৰ পুৰুষৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ খেলত ভাৰতৰ লক্ষ্য সেন আজি অষ্ট্ৰিয়াৰ কলিন্স ফিলিমনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ পৰিৱেশ দপ্তৰৰ মন্ত্ৰীসকলৰ দ্বাদশ বৈঠকখন আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হৈছে। ব্ৰীকছৰ সদস্য ৰাষ্ট্ৰসমূহৰ মন্ত্ৰী, জ্যেষ্ঠ বিষয়াবৰ্গ, নীতি নিৰ্ধাৰণকাৰী আৰু বিশেষজ্ঞসকলৰ বাবে এই বৈঠক এখন উমৈহতীয়া মঞ্চ হিচাপে পৰিগণিত হৈ আহিছে। পৰিৱেশৰ সুৰক্ষা সন্দৰ্ভত সহযোগিতা অধিক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত সহমতত উপনীত হোৱাৰ লক্ষ্যৰে আয়োজিত এই বৈঠকত পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰৰ মন্ত্ৰী ভূপেন্দ্ৰ য়াদৱে অধ্যক্ষতা কৰিছে। ব্ৰীকছত ভাৰতৰ অধ্যক্ষতাৰ ২০২৬ বৰ্ষৰ মূল বিষয় হ'ল সহনশীলতা, উদ্ভাৱন, সহযোগিতা আৰু দীৰ্ঘস্থায়িত্বৰ বাবে নিৰ্মাণ।

সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰা এটা বাৰ্তাত মন্ত্ৰী শ্ৰীয়াদৱে কয়, যে পৰিৱেশৰ সুৰক্ষাৰ হকে নীতি নিৰ্ধাৰণ কৰিবলগীয়া এই গোটৰ বৈঠকৰ পৰা লাভ কৰা ইতিবাচক সুফলৰ জৰিয়তে এই ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতা অধিক শক্তিশালী হৈ উঠিব বুলি তেওঁ আশাৰে অপেক্ষা কৰিছে।

ooooo

সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিজিজুৱে ভোট বেংকৰ ৰাজনীতিৰ স্বাৰ্থত বৈদেশিক অনুদান নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক সন্দৰ্ভত ভুল তথ্য প্ৰচাৰ কৰা বুলি বিৰোধী দলসমূহক দোষাৰোপ কৰিছে। এটা ব্যক্তিগত সংবাদ সংস্থাক দিয়া সাক্ষাৎকাৰত তেওঁ কয়, যে এই বিধেয়কে বিদেশৰ পৰা পুঁজিৰ আগমনৰ বিষয়টোক স্বচ্ছতা প্ৰদান কৰিব আৰু এতিয়াৰে পৰা এই সন্দৰ্ভত সত্যতা প্ৰতিফলিত হ'ব। বিধায়কখনক যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰাটোক উৎকৃষ্ট সিদ্ধান্ত বুলি অভিহিত কৰি মন্ত্ৰীগৰাকীয়ে বিৰোধী পক্ষই অসত্য বিয়পাবলৈ চেষ্টা কৰা বুলি অভিযোগ কৰে। এনেধৰণৰ ভুৱা তথ্য বিয়পোৱাৰ ৰাজনীতিৰ সৈতে জড়িত হোৱাটোক তেওঁ সমূলি ভুল বুলি আখ্যা দিয়ে।

**(বাইট ঃ ৰিজিজু)**

০০০০০

ছেমিকন ইণ্ডিয়া ২০২৬-ৰ পঞ্চম সংস্কৰণ অহা মাহত নতুন দিল্লীত অনুষ্ঠিত হ'ব। তিনিদিনীয়া এই সন্মিলনত ৪০ খনতকৈও অধিক দেশৰ প্ৰায় ২৪০ টা কোম্পানীৰ প্ৰতিনিধিয়ে ৫০০ খনতকৈও অধিক প্ৰদৰ্শনীত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সন্মিলন উদ্বোধন কৰিব। এই সন্মিলনতে প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান, দক্ষিণ কোৰিয়া, ছিংগাপুৰ, জাৰ্মেনী, নেডাৰলেণ্ড্ছ আৰু মালয়েছিয়াৰ কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে হোৱা এখন ঘূৰণীয়া মেজমেলত অধ্যক্ষতা কৰিব।

নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় ইলেকট্ৰনিক্ছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰ্যালয়ৰ সচিব এছ কৃষ্ণণে কয়, যে এই সন্মিলনত জাপান, দক্ষিণ কোৰিয়া, ছিংগাপুৰ, মালয়েছিয়া, জাৰ্মনী আৰু নেডাৰলেণ্ডছৰ ছখন আন্তঃৰাষ্ট্ৰীয় পেভেলিয়ন থাকিব। তেওঁ কয়, যে ছেমিকন ইণ্ডিয়া কনফাৰেঞ্চৰ পঞ্চম সংস্কৰণৰ মূল বিষয় হৈছে - Silicon to Systems, Building the Ecosystems. এই সন্মিলনে চৰকাৰৰ প্ৰগতিশীল নীতি আৰু আঁচনিত আলোকপাত কৰাৰ লগতে স্থিতিস্থাপক, বহনক্ষম ছেমি কণ্ডাক্টৰ পৰিস্থিতিতন্ত্ৰ স্থাপনত সহায় কৰিব।

০০০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে উত্তৰ প্ৰদেশ, পঞ্জাব আৰু গুজৰাটৰ বাবে নতুন ৰাজ্যিক তত্বাৱধায়ক নিযুক্তি দিছে। বিনোদ তাৱৰেক উত্তৰ প্ৰদেশৰ মুখ্য তত্বাৱধায়কৰ লগতে জগদীশ ঈশ্বৰ ভাই পেটেলক সহযোগী তত্বাৱধায়ক হিচাপে নিযুক্তি দিছে। একেদৰে ডঃ সতীশ পুনিয়াক পাঞ্জাবৰ তত্বাৱধায়ক আৰু তৰুণ চুঘক গুজৰাটৰ তত্বাৱধায়ক হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০০

দেৰগাঁও-ডিমাপুৰ সংযোগী পাইপলাইনৰ কাম আৰম্ভ হোৱাৰ লগে লগে নাগালেণ্ড উত্তৰপূব গেছ গ্ৰীড আৰু ৰাষ্ট্ৰীয় গেছ গ্ৰীডৰ সৈতে সংযুক্ত হৈছে বুলি কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰী পুৰীয়ে কয়, যে এই পদক্ষেপ উত্তৰ-পূবক ভাৰতৰ বিকাশৰ ইঞ্জিন কৰি তোলাৰ লগতে সমগ্ৰ অঞ্চলটোক সঁচা অৰ্থত সংহত গেছ ভিত্তিক অৰ্থনীতি হিচাপে গঢ়ি তোলাত সহায়ক হ'ব। তেওঁ কয়, যে এই পাইপলাইনৰ জৰিয়তে তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ যোৰহাট শাখাৰ পৰা প্ৰতিদিনে ১ লাখৰো অধিক মান কিউবিক মিটাৰ গেছ ব্যৱহাৰ কৰিব পৰা যাব। ইয়াৰ ফলত গেছৰ সৰবৰাহৰ ক্ষেত্ৰত সহায় হোৱাৰ লগতে এল এন জিৰ উচিত বিকল্প হিচাপে ব্যৱহাৰত সহায় হ'ব। ইয়াৰ ফলত শক্তি সুৰক্ষা বৃদ্ধি পোৱাৰ উপৰি উদ্যোগ, পৰিবহণ আৰু অন্যান্য ক্ষেত্ৰত নতুন সুবিধা সৃষ্টিৰে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ পথ সুচল হ'ব।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰ্যালয়ে আজি ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ ঘোষণা কৰে। প্ৰতিবছৰে ক্ৰীড়াৰ ক্ষেত্ৰত উৎকৃষ্ট প্ৰদৰ্শন কৰা ব্যক্তিসকলক এই বঁটাৰ বাবে বাছনি কৰা হয়। উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ অৰুণ কুমাৰ মিশ্ৰৰ অধ্যক্ষতাত গঠিত এখন সমিতিয়ে এই বঁটাসমূহ ঘোষণা কৰে। এই অনুসৰি ক্ৰীড়াক্ষেত্ৰত দেখুওৱা পাৰদৰ্শিতাৰ বাবে ১৭ গৰাকী ব্যক্তিক ২০২৫ বৰ্ষৰ অৰ্জুন বঁটাৰ বাবে বাছনি কৰা হৈছে। এইসকলৰ ভিতৰত এথলেটিক্ছত তেজস্বীন শংকৰ, বেডমিণ্টনত তৃষা জলী আৰু পুলেলা গায়ত্ৰী গোপীচান্দ, হকীত লাল ৰেমচিয়ামী, কাবাডিত শ্ৰী সুৰজিত আৰু পূজাকে ধৰি

কেইবাগৰাকীও ক্ৰীড়াবিদ আছে। একেদৰে ক্ৰীড়াক্ষেত্ৰত জীৱনজোৰা পাৰদৰ্শিতাৰ বাবে বিশিষ্ট ফুটবলাৰ আৰুমইনেয়াগমলৈ জীৱনজোৰা সাধনাৰ অৰ্জুন বঁটা আগবঢ়োৱা হৈছে। তিনিগৰাকী বিশিষ্ট ক্ৰীড়াবিদলৈ ২০২৫ বৰ্ষৰ দ্ৰোণাচাৰ্য বঁটা আৰু আন দুগৰাকীলৈ জীৱনজোৰা সন্মান আগবঢ়োৱা হৈছে। একেদৰে পুনেৰ আৰ্মী পেৰালিম্পিক নোডলৈ ৰাষ্ট্ৰীয় খেল প্ৰোৎসাহন পুৰস্কাৰ আগবঢ়োৱা হৈছে।

০০০০০

১৩৫ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত কালি নৰ্থ-ইষ্ট ইউনাইটেড এফ চিয়ে খেলৰ দ্বিতীয়াৰ্ধত উল্লেখযোগ্য প্ৰত্যাৱৰ্তনেৰে শ্বিলং লাজঙক ৫-২ গ'লত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। খেলৰ আধা সময়লৈ নৰ্থ-ইষ্ট ইউনাইটেড ১-২ গ'লত পিছ পৰি আছিল যদিও দ্বিতীয়াৰ্ধত শক্তিশালী প্ৰত্যাৱৰ্তন ঘটাই চাৰিটা গ'ল দি জয় নিশ্চিত কৰে। আলাইদ্দিন আজাৰ খেলখনৰ তাৰকা খেলুৱৈ হিচাপে পৰিগণিত হয় আৰু এই জয়ৰ সুবাদেৰে নৰ্থ-ইষ্ট ইউনাইটেড এফ চি একেৰাহে চতুৰ্থবাৰলৈ এই প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰে। নৰ্থ-ইষ্ট ইউনাইটেডে পৰহিলৈ হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত মোহনবাগান ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত আয়োজিত BWF বেডমিণ্টন বিশ্ব চেম্পিয়নশ্বিপৰ পুৰুষৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ খেলত ভাৰতৰ লক্ষ্য সেন আজি সন্ধিয়া অষ্ট্ৰিয়াৰ কলিন্স ফিলিমনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ প্ৰথম ৰাউণ্ডত ভাৰতৰ উন্নতি হুদা ম্যানমাৰৰ থেট টাৰ থুজাৰৰ বিৰুদ্ধে নিজৰ অভিষেক মেট্চত অৱতীৰ্ণ হ'ব।

মিক্সড ডাবলছৰ প্ৰথম ৰাউণ্ডত ভাৰতৰ ৰোহন কাপুৰ আৰু ৰুত্বিকা শিৱানী গাড্ডেই কানাডাৰ জ'নাথ লাই আৰু কৃষ্টেল লাইৰ বিৰুদ্ধে অনুষ্ঠিত খেলত পৰাজয় বৰণ কৰে। প্ৰথমখন খেলত ২০-২২ পইণ্টৰ ব্যৱধানত জয়লাভ কৰা ভাৰতৰ যুটীটো পৰৱৰ্তী দুখন খেলত ১৯-২১, ১৭-২১ পইণ্টত পৰাভূত হয়। মিক্সড ডাবলছ শাখাৰ আন এখন খেলত ভাৰতীয় যুটী অশ্বিত সুৰীয়া আৰু অমৃতা প্ৰমুথেছ, তুৰ্কীৰ এম্ৰে ছ্মেজ আৰু য়াছেমেন বেক্টাছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

মহিলাৰ ডাবলছ শাখাৰ দ্বিতীয় ৰাউণ্ডৰ খেলখন ভাৰতৰ তৃষা জলি আৰু গায়ত্ৰী গোপীচান্দ, আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ লৰেন লাম আৰু এলিছন লীৰ মাজত অনুষ্ঠিত হ'ব। একেদৰে আন এখন খেলত ভাৰতৰ কৰিপ্ৰিয়া ছেলৱাম আৰু ছিমৰন সিংহী, বুলগেৰিয়াৰ ষ্টেফানি ষ্ট'ৰেভা আৰু গেব্ৰিয়েলা ষ্ট'ৰেভাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

জাপানৰ আইচি নাগয়াত ১৯ ছেপ্তেম্বৰত আৰম্ভ হ'বলগীয়া ২০ সংখ্যক এছিয়ান গেমছত ছেপাকতাক্ৰোত ভাৰতক প্ৰতিনিধিত্ব কৰিবলৈ নাগালেণ্ডৰ চাৰিগৰাকী মহিলা খেলুৱৈক বাছনি কৰা হৈছে। মেনেনু ছুক্ৰু আৰু ছেখ্ৰিয়েনো টেপা, পুলেন নেইখা আৰু পুংগতলু কুৰুৱে ভাৰতীয় মহিলা দলৰ প্ৰশিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰিব। ২০১০ চনৰ পিছত একেৰাহে পঞ্চমবাৰৰ বাবে এছিয়ান গেমছত নাগালেণ্ডৰ ছেপাকতাক্ৰো খেলুৱৈ আৰু প্ৰশিক্ষকে ভাৰতক কৰা প্ৰতিনিধিত্বই ৰাজ্যখনৰ বাবে বিশেষ তাৎপৰ্য বহন কৰিছে। নাগালেণ্ড ছেপাকতাক্ৰো এচ'ছিয়েছনে চাৰিওগৰাকী প্ৰতিনিধিকে অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০

সমাপ্ত